# চৰকাৰী প্ৰাথমিক বিদ্যালয় আৰু বাস্তৱিক সমস্যা ঃ এক আলোকপাত

**মণ্টু কলিতা**
অংশকালীন সহকাৰী অধ্যাপক
শিক্ষা বিভাগ।

এখন দেশৰ সৰ্বাংগীন উন্নতি নিৰ্ভৰ কৰে সেই দেশখনৰ শিক্ষাব্যৱস্থাৰ উন্নতি আৰু প্ৰসাৰৰ ওপৰত। প্ৰাথমিক শিক্ষা হৈছে আনুষ্ঠানিক শিক্ষাৰ প্ৰথম স্তৰ আৰু ভেটিস্বৰূপ। প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ মানদণ্ডৰ ওপৰত দেশখনৰ গতিবিধি নিৰ্ভৰ কৰে। প্ৰাথমিক শিক্ষাৰ উন্নতি আৰু প্ৰসাৰৰ বাবে বিভিন্ন সময়ত বিভিন্ন দাৰ্শনিক, শিক্ষাবিদ, আদিয়ে বিভিন্ন প্ৰচেষ্টা চলাইছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগতেই প্ৰাথমিক শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীতাৰ কথা উপলব্ধি কৰি ১৯১০-১১ চনত গোপাল কৃষ্ণ গোখলেই প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তুলিবৰ বাবে প্ৰথম প্ৰচেষ্টা চলাইছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ভাৰতীয় সংবিধানখনত উল্লেখ কৰা হয় যে সংবিধানখন কাৰ্যকৰী হোৱাৰ পৰা দহ বছৰৰ ভিতৰত দেশৰ সকলোবোৰ ল'ৰা-ছোৱালীকে তেওঁলোকৰ ১৪ বছৰ নোহোৱালৈকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব। কিন্তু অতি পৰিতাপৰ বিষয় যে সংবিধানখন কাৰ্যকৰী হোৱা আজি ৬৫ বছৰ পাৰ হোৱাৰ পিছতো চৰকাৰ সেই লক্ষ্যত উপনীত হ'ব পৰা নাই।

সাংবিধানিক লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি চৰকাৰে প্ৰাথমিক শিক্ষাৰ উন্নতি আৰু প্ৰসাৰৰ বাবে বিভিন্ন ধৰণৰ অভিলাসী আঁচনি আদি গ্ৰহণ কৰিছে। প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া নামভৰ্তি, বিনামূলীয়া সাজ-পোছাক, বিনামূলীয়া কিতাপ-পত্ৰ, মধ্যাহ্নভোজন, বিনামূলীয়া চিকিৎসা শিৱিৰ, শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা অভিভাৱকৰ প্ৰশিক্ষণ আদিৰ সু-ব্যৱস্থা কৰা হৈছে। এক মহৎ উদ্দেশ্য আগত ৰাখি এই আঁচনিসমূহ ৰূপায়ণ কৰা হয়। কিন্তু বাস্তৱক্ষেত্ৰত জানো এই আঁচনিসমূহে নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'ব পাৰিছে? এই আঁচনিবোৰৰ নামত চৰকাৰে বৃহৎ পৰিমাণৰ পুঁজি আৱণ্টন দিয়ে কিন্তু বিভিন্ন কাৰণত তথা আসোঁৱাহপূৰ্ণ শিক্ষাব্যৱস্থা আৰু আসোঁৱাহপূৰ্ণ প্ৰশাসনীয় ব্যৱস্থাৰ বাবে অৰ্ধেক সংখ্যক পুঁজিয়ে তৃণমূল পৰ্যায় ঢুকি নাপায়। আন্তঃগাঠনি, শিক্ষণ-শিকন সঁজুলি, বিভিন্ন অনুদান আদিৰ নামত আৱণ্টিত পুঁজিৰ অধিকাংশই হৰলুকী হোৱা দেখা যায় আৰু তাৰ ফলস্বৰূপে প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ সামগ্ৰীক উন্নতিৰ নামত এক ভেকোভাওনাহে দেখিবলৈ পোৱা যায়।

বৰ্তমান সময়ত চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহ কেৱল দৰিদ্ৰ সীমাৰেখাৰ তলৰ ল'ৰা-ছোৱালীৰ বিদ্যালয়লৈহে যেন পৰিৱৰ্তিত হৈছে। যিবোৰ অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ স্তৰৰ বাসিন্দাৰ সংখ্যা বেছি তেনেবোৰ অঞ্চলৰ প্ৰাথমিক বিদ্যালয়তহে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী দেখা যায়। আনহাতে মধ্যবিত্তৰ পৰা আৰম্ভ কৰি উচ্চবিত্তৰ লোকে বসবাস কৰা অঞ্চলৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সেৰেঙা। তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰ যেন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ একচেটীয়া সম্পদত পৰিণত হৈছে। আনকি চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও নিজৰ ল'ৰা-ছোৱালীবোৰক চৰকাৰী প্ৰাথমিক বিদ্যালয়ত পঢ়ুৱাবলৈ অনিচ্ছুক।

সাম্প্ৰতিক সময়ত চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়বোৰৰ অৱস্থা পুতৌজনক আৰু হতাশাজনক। বেছিভাগ

*বৰ্তমান সময়ত চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহ কেৱল দৰিদ্ৰ সীমাৰেখাৰ তলৰ ল'ৰা-ছোৱালীৰ বিদ্যালয়লৈহে যেন পৰিৱৰ্তিত হৈছে। যিবোৰ অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ স্তৰৰ বাসিন্দাৰ সংখ্যা বেছি তেনেবোৰ অঞ্চলৰ প্ৰাথমিক বিদ্যালয়তহে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী দেখা যায়। আনহাতে মধ্যবিত্তৰ পৰা আৰম্ভ কৰি উচ্চবিত্তৰ লোকে বসবাস কৰা অঞ্চলৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সেৰেঙা।*



প্ৰাথমিক বিদ্যালয়তে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ। বৰ্তমান প্ৰাথমিক বিদ্যালয়বোৰত মুঠ ছটা শ্ৰেণী থাকে ('ক' শ্ৰেণীক ধৰি) আৰু বেছিভাগ প্ৰাথমিক বিদ্যালয়ে হ'ল এজনীয়া বা দুজনীয়া শিক্ষকৰ বিদ্যালয়। এনেকুৱা বিদ্যালয়বোৰত শিক্ষকৰ সদিচ্ছা থাকিলেও ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব নোৱাৰে। সাম্প্ৰতিক চৰকাৰী নিয়মানুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক হ'ব লাগে ৩০:১ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৩৫:১ হ'ব লাগে। উদাহৰণস্বৰূপে, ধৰা হ'ল কোনো এখন নিম্ন প্ৰাথমিক বিদ্যালয়ত ৬০ জন ছাত্ৰ-ছাত্ৰী আছে, গতিকে অনুপাত অনুসৰি সেইখন বিদ্যালয়ত মুঠ শিক্ষকৰ প্ৰয়োজন দুজন। বিদ্যালয়খনত মুঠ ছটা শ্ৰেণী ('ক' শ্ৰেণীক ধৰি) আৰু প্ৰতিটো শ্ৰেণীৰে একাধিক বিষয় আছে। এতিয়া দুজন শিক্ষকে ছটা শ্ৰেণীৰ আটাইকেইটা বিষয়ৰ ওপৰত কেনেকৈ পাঠদান কৰিব? শিক্ষকসকলক যিমানেই বহু শ্ৰেণীত পাঠদানৰ প্ৰশিক্ষণ নিদিয়ক কিয়া, এই ছটা শ্ৰেণীত দুজন শিক্ষকে প্ৰতিটো বিষয়ৰ ওপৰত পাঠদান কৰাটো সম্ভৱ নহয়। তাৰোপৰি এজনীয়া শিক্ষকৰ বিদ্যালয়বোৰৰ অৱস্থা কি হ'ব, সেয়া সহজে অনুমেয়। ফলস্বৰূপে, চৰকাৰী বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে হ্ৰাস পাই আহিছে আনহাতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। কাৰণ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শ্ৰেণী অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা যথেষ্ট। তাৰোপৰি কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবে যি এক শৈক্ষিক পৰিৱেশৰ প্ৰয়োজন, সেই পৰিৱেশ চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰতকৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰতহে বেছিকৈ দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি, শৈক্ষিক দিশবোৰৰ লগতে সহ-শৈক্ষিক দিশবোৰৰ ওপৰত চৰকাৰী বিদ্যালয়বোৰতকৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰতহে বেছিকৈ গুৰুত্ব দিয়া দেখা যায়।

চৰকাৰী বিদ্যালয়বোৰত প্ৰৱৰ্তন কৰা মধ্যাহ্ন ভোজনৰ বাবে সু-ব্যৱস্থাপনা নথকাৰ কাৰনে পাঠদানৰ বহুমূল্যৱান সময়ৰ অপচয় হোৱা দেখা যায়। বাস্তৱক্ষেত্ৰত দেখা যায় যে, এজনীয়া বা দুজনীয়া শিক্ষকৰ বিদ্যালয়ত শিক্ষকে মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত এনেকৈ জড়িত হ'বলগীয়া হয় যে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পাঠদানৰ বাবে ন্যুনতম সময়হে পাবলৈ সক্ষম হয়। আনহাতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষাদানৰ বাবে প্ৰয়োজনীয় শিক্ষকৰ লগতে প্ৰয়োজনীয় সময়ৰো অভাৱ নহয়। চৰকাৰী প্ৰাথমিক বিদ্যালয়বোৰৰ আন্তঃগাঠনি পূৰ্বৰ তুলনাত বহুতো উন্নত হৈছে যদিও বৰ্তমানো বহুতো প্ৰাথমিক বিদ্যালয় আছে, য'ত একেটি গৃহতে আটাইকেইটা শ্ৰেণীত পাঠদান কৰিবলগীয়া হয়, যাৰ ফলত শিকন-শিক্ষণ প্ৰক্ৰিয়াত বাধা আহি পৰে। তাৰোপৰি, প্ৰাথমিক স্তৰৰ শিক্ষক শিক্ষয়িত্ৰীৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ অভাৱ দেখা যায়। প্ৰাথমিক স্তৰৰ শিক্ষক হিচাপে যি ধৰণৰ প্ৰশিক্ষণৰ প্ৰায়োজন, তেনেদৰে প্ৰশিক্ষণ দিয়া নহয়। প্ৰশিক্ষণৰ বেছিভাগেই তাত্বিক ধৰণৰ তথা ব্যৱহাৰিক আৰু বিজ্ঞানসন্মত প্ৰশিক্ষণৰ অভাৱ দেখা যায়। তাৰ ফলস্বৰূপে প্ৰশিক্ষণৰ জ্ঞানখিনি শিক্ষকসকলে বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰাত আৰু ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাত ব্যৰ্থ হোৱা দেখা যায়।

এইবোৰ এশ এবুৰি সমস্যাৰ বাবে চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়োজনীয় অৰ্হতাসমূহ লাভ কৰিবলৈ সমৰ্থ নহয় আৰু নিদানমূলক পাঠদানৰ ব্যৱস্থা আছে যদিও বাস্তৱ ক্ষেত্ৰত দেখা পোৱা নাযায়। ফলস্বৰূপে, চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এক বৃহৎ শৈক্ষিক ঘাটি বৈ যায় আৰু পৰৱৰ্তী শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলে সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। এইবোৰ শৈক্ষক ঘাটি দূৰ কৰিবলৈ হ'লে চৰকাৰী প্ৰাথমিক বিদ্যালয়বোৰত অতি কমেও প্ৰতিটো শ্ৰেণীৰ বাবে একোজনকৈ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ ব্যৱস্থা কৰিব লাগিব। এইখিনিতে প্ৰশ্ন হয় যে, পূৰ্বতে কেনেকৈ প্ৰায়ভাগ চৰকাৰী বিদ্যালয়তে দুজন শিক্ষকেই নিয়াৰিকৈ পাঠদান কৰিছিল? পূৰ্বৰ প্ৰাথমিক বিদ্যালয়বোৰত বিষয় বস্তু আছিল সীমিত আৰু মধ্যাহ্নভোজন আদিৰ দৰে অতিৰিক্ত দায়িত্ববোৰ শিক্ষকৰ ওপৰত ন্যস্ত নাছিল। কিন্তু বৰ্তমান সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিষয়বস্তুৰ সংখ্যা আৰু শিক্ষকৰ দায়িত্ব যথেষ্ট বঢ়াৰ বাবে এজনীয়া বা দুজনীয়া শিক্ষকে ফলপ্ৰসু শিক্ষাদান কৰাটো যথেষ্ট কষ্টকৰ আৰু ফলবিহীন হৈ পৰা পৰিলক্ষিত হয়।

# সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলী, শিশুৰ বিকাশ আৰু বৰ্দ্ধন — এটি আলোচনা

**ড° পাৰুল নাথ**
সহযোগী অধ্যাপিকা আৰু মূৰব্বী, শিক্ষা বিভাগ

পাঠ্যক্ৰম আৰু সহঃ পাঠ্যক্ৰমিক কায্যাৱলীসমূহ এটা মুদ্ৰাৰ দুটা পিঠি সদৃশ। সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ ইতিহাস অতি পুৰণি। প্ৰাচীন ভাৰতবৰ্ষত যেতিয়া গুৰুগৃহত শিষ্যই শিক্ষাগ্ৰহণৰ আদিপাঠ আৰম্ভ কৰিছিল তেতিয়া গুৰুৱে সহঃপাঠ্যক্ৰমিক কাৰ্য্যালীৰো প্ৰশিক্ষণ দিছিল। গুৰুগৃহত থাকি প্ৰতিজন শিষ্যৱে খৰি কটা, পানী আনা, ঠাই পৰিস্কাৰ কৰা, ঘৰুৱা কাম-কাজত সহায় কৰা, শাৰীৰিক ব্যায়াম ইত্যাদি কামবোৰ অনুশীলন কৰিব লাগিছিল। নালন্দা, তক্ষশীলা ইত্যাদি বিশ্ববিদ্যালয়বোৰতো সেই সময়ত সহঃপাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। অৱশ্যে, প্ৰাচীন কালত সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীসমূহ বহিঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীস্বৰূপে বিবেচিত হৈছিল। কিয়নো, শ্ৰেণীকক্ষৰ বাহিৰত এই কাৰ্য্যাৱলীৰ অনুশীলনত শিক্ষাৰ্থীসকল ব্যস্ত হৈ পৰিছিল। কিন্তু সময়ৰ অগ্ৰগতি আৰু পৰিবৰ্তনৰ লগে লগে বহিঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ ধাৰনাৰো পৰিবৰ্ত্তন ঘটিল আৰু ই সহঃপাঠ্যক্ৰমিক কাৰ্য্যাৱলী হিচাপে স্বীকৃতি লাভ কৰিলে। আধুনিক শিক্ষাবিদ আৰু দাৰ্শনিকসকলে সহঃপাঠ্যক্ৰমিক কাৰ্য্যাৱলীক পাঠ্যক্ৰমৰ এক অবিচ্ছেদ্য অঙ্গ হিচাপে মত পোষণ কৰিছে। তেওঁলোকৰ মতে, শিক্ষাৰ লক্ষ্য কেৱল বৌদ্ধিক দিশৰ বিকাশ সাধনতে সীমাবদ্ধ হৈ থাকিব নোৱাৰে। শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীৰ সৰ্বাত্মক দিশৰ বিকাশ সাধন সম্ভৱ কৰি তুলিব লাগে। বিকাশে ব্যক্তিৰ কেৱল এক ইঞ্চি ওখ হোৱা বা সামৰ্থ্যৰ বিকাশকে নুবুজায়, বৰং ই ব্যক্তিৰ গাঁথনি আৰু কাৰ্য্যৰ এক সু-সংহত জটিল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই শাৰীৰিক, আবেগিক, সামাজিক, বৌদ্ধিক, সৌন্দয্যাত্মক, সৃজনাত্মক, ভাষা ইত্যাদি বিভিন্ন দিশৰ বিকাশক অন্তৰ্ভূক্ত কৰে। সমাজ আৰু সাংস্কৃতিক পৰিৱেশত সুসামঞ্জস্যভাৱে সমাযোজিত হোৱাত বিকাশৰ বিভিন্ন স্তৰে সহায় কৰে।

একেদৰে, বৰ্ধন হ'ল মানুহৰ বা শিশুৰ শাৰীৰিক অবয়বৰ লগতে দেহতত্বৰ পৰিবৰ্তনক বুজায়। বিকাশৰ এক অবিচ্ছেদ্য অঙ্গ হ'ল বৰ্ধন। মানৱ জীৱনৰ বিভিন্ন স্তৰত বৰ্ধনৰ পৰিবৰ্তন হয়।

শিশুৰ বিকাশ আৰু বৰ্ধনত সহঃপাঠ্যক্ৰমিক কায্যাৱলীৰ তাৎপৰ্য্যপূৰ্ণ ভূমিকা আছে। বিভিন্ন প্ৰকাৰৰ সহঃ পাঠ্যক্ৰমিক কায্যাবলীয়ে শিশুৰ বিভিন্ন দিশৰ বিকাশত প্ৰভাত পেলায়। উদাহৰণস্বৰূপে —



*** শাৰীৰিক বিকাশৰ কাৰ্য্যাৱলী :** খেল-ধেমালি, বাগিচাৰ কাম, সাতোঁৰা, চাইকেল চলোৱা, মল্লযুজঁ, যোগাসন, পেৰেড, ইত্যাদি কাৰ্য্যসমূহে শিক্ষাৰ্থীৰ শাৰীৰিক বিকাশত ইতিবাচক প্ৰভাৱ পেলায়।

*** সাহিত্য আৰু শৈক্ষিক বিকাশৰ কাৰ্য্যাৱলী :** বাতৰি কাকত পঢ়া, আবৃত্তি কৰা, প্ৰাচীৰ পত্ৰিকা, শিক্ষানুষ্ঠানৰ আলোচনী, পুথিভঁৰালৰ নিয়মিত কাৰ্য্যসূচী, ৰচনা লিখা প্ৰতিযোগিতাত অংশ গ্ৰহণ, তৰ্ক আৰু আলোচনা ইত্যাদি বিভিন্ন কাৰ্য্যসূচীৰ দ্বাৰা শিক্ষাৰ্থীৰ শৈক্ষিক দিশৰ বিকাশ সাধন

কৰিব পাৰি।

*** সাংস্কৃতিক আৰু সৌন্দয্যাত্মক দিশৰ বিকাশ সাধন ঃ** সংগীত, লোক-নৃত্য, লোকগীত, ছবিআঁকা, পুষ্পসজ্জা, চাৰ্টৰ তালিকা প্ৰস্তুত ইত্যাদিৰ জৰিয়তে সৌন্দয্যৰ অনুভূতি তথা সাংস্কৃতিক দিশৰ বিকাশ সাধন কৰিব পাৰি।

*** জিৰণিৰ সদ্ব্যৱহাৰৰ কাৰ্যসূচী ঃ** মুদ্ৰা সংগ্ৰহ, টিকট সংগ্ৰহ, ছবি আৰু নিজৰ ভাল লগা বিষয়ৰ বস্তু সংগ্ৰহ, ফটোগ্ৰাফি, এলবাম সজোৱা ইত্যাদি কামবোৰ অৱসৰ সময়ৰ বাবে উপযোগী। এইবোৰে শিক্ষাৰ্থীক মানসিক শান্তি দিয়ে।

*** অঙ্গ সঞ্চালন বিকাশৰ কাৰ্যসূচী ঃ** জপিওঁৰা, চিলাই কৰা, উল গুঠা, কিতাপ বন্ধা, শাক-পাচলি তথা ফুল বাগিচাত কাম কৰা, পুতলা তৈয়াৰ কৰা, এমব্ৰয়ডাৰী, বাচকেট বনোৱা, ৰং কৰা, মাটিৰ বস্তু তৈয়াৰ কৰা ইত্যাদি কামবোৰে অঙ্গ সঞ্চালনত যথেষ্ট সহায় কৰে।

*** ভ্ৰমণৰ কাৰ্যসূচী ঃ** বনভোজ, চিৰিয়াখানা, সংগ্ৰহালয় ইত্যাদি পৰিদৰ্শন, ধৰ্মীয় ঠাই তথা মন্দিৰ দৰ্শন, ইতিহাস প্ৰসিদ্ধ ঠাই পৰিভ্ৰমণ, ভৌগোলিকভাৱে তাৎপৰ্য্যপূৰ্ণ ঠাই দৰ্শন ইত্যাদি কামবোৰে শিক্ষাৰ্থীৰ মনৰ একঘেয়ামী অৱস্থাৰ পৰিবৰ্তন ঘটায়।

*** সংহতিভাবৰ বিকাশৰ কাৰ্যসূচী ঃ** শিক্ষানুষ্ঠানসমূহত জাতীয় দিৱসসমূহ পালনৰ ব্যৱস্থা কৰিব লাগে। দিৱস অনুসৰি প্ৰতিটো দিৱসতে গুৰুত্বপূৰ্ণ কাৰ্য্য সম্পাদনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উদাহৰণস্বৰূপে বিশ্ব পৰিৱেশ দিৱস (৫ জুন)ত গছপুলি ৰোপণ কাৰ্যসূচী, গান্ধী জয়ন্তী (২ অক্টোবৰ)ত মহাত্মা গান্ধীৰ বিভিন্ন দিশ বিষয়ক আলোচনা চক্ৰ, ইত্যাদি অনুষ্ঠিত কৰিলে শিশুৰ সৰ্বাত্মক দিশৰ সুস্থ বিকাশত প্ৰভাৱ বিস্তাৰ কৰিব আৰু জাতীয় সংহতিৰ ভাৱধাৰাৰ বিকাশ সাধনত ভূমিকা গ্ৰহণ কৰিব।

ওপৰোক্ত বিভিন্ন কাৰ্যসূচী বিশ্লেষণ কৰিলে দেখা যায় যে সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলী হ'ল শিশুৰ সৰ্বাত্মক দিশৰ বিকাশ সাধনৰ এক শক্তিশালী অস্ত্ৰ। শ্ৰেণীকক্ষৰ সীমিত পৰিসৰৰ শিক্ষা শিক্ষাৰ্থীৰ বাবে পৰ্য্যাপ্ত নহয়। তাৰ লগে লগে বিভিন্ন খেল ধেমালিৰ জৰিয়তে আবেগিক তথা নেতৃত্বদানৰ গুনাৱলীৰ বিকাশ সাধন কৰিব পাৰি। এখন শিক্ষানুষ্ঠানত সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ তাৎপৰ্য্য অধিক। শিক্ষাৰ্থীসকলৰ শৈক্ষিক মানদণ্ড কেতিয়াও একে হ'ব নোৱাৰে। কিয়নো, প্ৰত্যেকৰে বুদ্ধ্যংক (IQ) বেলেগ। বংশগতি আৰু পৰিবেশৰ ভিন্নতা অনুযায়ী প্ৰতিটো শিশুৱে ভিন্ ভিন্ সম্ভাৱনা লৈ জন্মগ্ৰহণ কৰে। আৰু বিকাশৰ পথত অগ্ৰসৰ হয়। সেয়ে, শিক্ষাৰ্থীৰ গুনগত দিশৰ প্ৰতি সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি প্ৰত্যেক শিশুৱে যাতে সঠিক পথত অগ্ৰসৰ হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। কোনো এজন শিক্ষাৰ্থী শৈক্ষিক দিশত উন্নত আৰু আন কোনোজন হয়তো খেলত উন্নত। সেয়ে, সামৰ্থ্য অনুসৰি শিক্ষাৰ্থীক শুদ্ধ পথত আগবঢ়াই নিয়াৰ দায়িত্ব শিক্ষানুষ্ঠানৰ।

সামৰণি ঃ শিশুৰ বিকাশ আৰু বৰ্ধনত সহঃ পাঠ্যক্ৰমিক কায্যাৱলীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিক্ষাৰ্থীৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক, বৌদ্ধিক, সৌন্দৰ্য্যাত্মক, নেতৃত্ব দান, অনুশাসন ইত্যাদি বিভিন্ন দিশৰ বিকাশত ই ইতিবাচক প্ৰভাৱ পেলায়। কিন্তু, শিক্ষানুষ্ঠানত সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ অনুশীলনৰ বাবে কোনো সংগঠিত ব্যৱস্থা নাই। অৱশ্যে, ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত আৰম্ভনিৰে পৰা শিক্ষাৰ্থীৰ সামৰ্থ্য আৰু যোগ্যতা অনুসৰি সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাবলীত অংশগ্ৰহণৰ সুবিধা দিয়ে আৰু পৰৱৰ্তী সময়ত নিজ নিজ পছন্দ অনুসৰি একোটা দিশত পাৰদৰ্শিতা লাভ কৰিবলৈ সক্ষম হয়। সেয়ে, আমাৰ নিচিনা শিক্ষানুষ্ঠানবোৰতো সহঃপাঠ্যক্ৰমিক কাৰ্য্যাৱলীসমূহ সু-সংগঠিত ৰূপত উপস্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু সপ্তাহটোৰ যিকোনো এটা দিনত একোটা শ্ৰেণীৰ বাবে খেল-ধেমালিৰ বাবে সময় সূচী নিৰ্ধাৰণ কৰিব লাগে। তাৰবাবে চৰকাৰীভাৱে উপযুক্ত প্ৰশিক্ষকৰো নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। উপযুক্ত প্ৰশিক্ষণ আৰু অনুশীলনৰ বাধ্যবাধকতাই কম বুদ্ধিৰ শিক্ষাৰ্থীক শৈক্ষিক দিশৰ পৰিবৰ্তে অন্যান্য পচন্দৰ দিশত উজ্জ্বলাই তুলিব বুলি আশা কৰিব পাৰি।

---

# মহৎ লোকৰ বাণী

* এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন। বন্ধুবৰ্গ গুছি গ'লেও কিতাপখন কিন্তু চিৰকাললৈ থাকি যায়।
— টুপাৰ।

* সকলো ধৰ্মই সুন্দৰ, কিন্তু প্ৰতিটোৱেই একোটা দ্বীপ। প্ৰেমেৰে সকলো ধৰ্মৰ সেতুবন্ধন কৰাটোহে উত্তম কাম।
—— আব্দুল কালাম।

* আনক আঘাত দিলে, সেই আঘাত এদিন নিজে ভোগ কৰিবা। — তুলসী দাস।

* আমি যিমানেই বেছিকৈ পঢ়ো সিমানেই আমি জানো আচলতে আমি কিমান নাজানো।

সংগ্ৰহ ঃ জ্যোতি প্ৰসাদ ৰায়
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)


# হতাশা, ত্যাগ আৰু নাৰী

**পপি ৰ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা শাখা

হতাশাই এজন সুস্থ ব্যক্তিক মানসিক বিকাৰগ্ৰস্ত ব্যক্তিলৈ পৰিৱৰ্তন কৰে। চিকিৎসা শাস্ত্ৰমতে ই এক আবেগিক ৰোগ যাৰ কোনো নিৰ্দিষ্ট কাৰণ নাথাকে আৰু ইয়াৰ কোনো চিকিৎসাও নাই। কোনো এটা ঘটনা যদি কাৰোবাৰ বাবে সাধাৰণ ঘটনা আন কাৰোবাৰ বাবে ই হতাশাৰ কাৰণ হৈ পৰে। ই মানুহৰ বয়স আৰু ভাবধাৰা ভেদে বিৰাজমান। বৰ্ত্তমান যুগৰ নাৰী জীৱনত এই হতাশাই অধিক প্ৰভাৱ পেলাইছে। কাৰোবাৰ বাবে ই ক্ষন্তেকীয়া হয় আৰু আন কাৰোবাৰ বাবে গোটেই জীৱনজোৰা হৈ পৰে।

সামাজিক জীৱনত নাৰী এগৰাকী কন্যা কালত পিতৃ-মাতৃৰ, বিবাহিত জীৱনত স্বামীৰ আৰু বৃদ্ধা কালত পুত্ৰৰ অধীন হৈ থাকে। নাৰী এগৰাকী যেতিয়া জন্ম গ্ৰহণ কৰে তেতিয়া তেওঁৰ এই পৃথিৱীত প্ৰথম জন্ম হয় কিন্তু যেতিয়া তেওঁৰ বিবাহ হয় তেতিয়া তেওঁৰ দ্বিতীয়বাৰ জন্ম হয় আৰু নতুনকৈ জীৱনটো আৰম্ভ কৰিব লগা হয়। তেওঁৰ যেতিয়া সন্তান জন্ম হয় তেতিয়া তেওঁৰ জীৱনৰ আকৌ এটা নতুন অধ্যায় আৰম্ভ হয়। সেয়েহে নাৰী এগৰাকীক হতাশামুক্ত কৰিবলৈ তেওঁৰ লগত জড়িত ব্যক্তিসকলে নাৰী গৰাকীক উপলব্ধি কৰাটো অতি প্ৰয়োজনীয়, কাৰণ এগৰাকী নাৰী মৰম আকলুৱা। নাৰী এগৰাকী অভিমানী হয় কিন্তু জেদী কেতিয়াও নহয়। ই নাৰীৰ এক স্বভাৱজাত প্ৰকৃতি।

নাৰীৰ মানসিকতা কোমল, সৰল আৰু দুৰ্বল। সেইবাবেই নাৰী এগৰাকী হতাশাগ্ৰস্ততাত ভুগিলে মানসিক বিকাৰে কম সময়তেই আগুৰি ধৰে। যিহেতু নাৰীয়েই হৈছে ভৱিষ্যৎ প্ৰজন্মৰ জন্মদাতা, নাৰী অবিহনে এই সৃষ্টিৰ কোনো অস্তিত্ব নাই, সেই বাবেই নাৰী একোগৰাকী সুস্থ মানসিকতাৰ অধিকাৰী হোৱাৰ প্ৰয়োজন। নাৰীৰ মানসিকতাক অনুভৱ কৰাটো প্ৰতিজন ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য।



আনহাতে ত্যাগ হৈছে নাৰীৰ স্বাভাৱ। নিজৰ ত্যাগৰ বাবে যদি আনে সুখ পায় তেনেহ'লে তেনে ত্যাগ কৰিবলৈ এগৰাকী নাৰীয়ে অকণো সংকোচ নকৰে। যি দৰে তলসৰা ফুলো দেৱতালৈ অৰ্পণ কৰ হয় আৰু দেৱতাই তাক গ্ৰহণো কৰে, কাৰ তলসৰা হোৱা বাবে সেই ফুলটোৰ একো দোষ নাথাকে। সেই একেদৰে এজনী ছোৱালীক প্ৰতি পালন কৰোতে অভিভাৱকৰ যদি কিবা ভুল-ত্ৰুটি হৈও থাকে তেন্তে তাত সেই ছোৱালীজনীৰ একো দোষ নাথাকে। বৰং ইয়াৰ বাবে ছোৱালীজনীয়ে আগলৈ বহুতো ত্যাগ কৰিবলৈ নিজকে প্ৰস্তুত কৰে।

# মোৰ মৰমৰ দুধনৈ কলেজ

('মহাবিদ্যালয় সপ্তাহত' আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা'ত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

**চিম্পী কলিতা**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা শাখা)

দুধনৈ মহাবিদ্যালয়খন গোৱালপাৰা জিলাৰ দুধনৈত অৱস্থিত। মই এইখন মহাবিদ্যালয়ৰে ছাত্ৰী। দুধনৈ মহাবিদ্যালয়খনৰ প্ৰাকৃতিক সৌন্দৰ্য্য যথেষ্ট মনোমোহা। চাৰিওফালে নানা ধৰণৰ গছ-গছনি দুধনৈ মহাবিদ্যালয়খনত দেখিবলৈ পোৱা যায়। মই এইখন মহাবিদ্যালয়ত পঢ়ি গৌৰৱ অনুভৱ কৰোঁ। কিয়নো ইয়াৰ শৈক্ষিক পৰিৱেশটো যথেষ্ট ভাল আৰু ছাৰ-বাইদেউ সকলেও আমাক যথেষ্ট মৰম কৰে। কিবা বুজি নাপালে আমাক সেই নুবুজা কথাখিনি আকৌ ধুনীয়াকৈ বুজাই দিয়ে। সেয়েহে মই নিজেই গৌৰৱ অনুভৱ কৰোঁ ইমান মৰমিয়াল ছাৰ-বাইদেউসকলক মোৰ শিক্ষাগুৰু হিচাপে পাই। আমাৰ কলেজখনত পঢ়িবৰ কাৰণে এটা ধুনীয়া লাইব্ৰেৰীও আছে য'ত বহুত ন-পুৰণি কিতাপেৰে লাইব্ৰেৰীটো ভৰি আছে। মই সময় উলিয়াই মাজে মাজে লাইব্ৰেৰীলৈ পঢ়িবলৈ যাওঁ। লাইব্ৰেৰীৰ ভিতৰৰ পৰিৱেশটো সঁচাকৈয়ে বৰ ধুনীয়া, শান্ত আৰু তালৈ গ'লে মোৰ এনেকুৱা অনুভৱ হয় যেন মই মন্দিৰত আছো। সঁচাকৈয়ে আমাৰ কলেজৰ শৈক্ষিক পৰিৱেশ যথেষ্টখিনিয়েই ভাল। খেলা-ধূলাৰ ক্ষেত্ৰতো আমাৰ মহাবিদ্যালয়খন পিছপৰা নহয়। আমাৰ মহাবিদ্যালয়ত যেতিয়া 'মহাবিদ্যালয় সপ্তাহ' হয় তেতিয়া সকলোবোৰ ছাত্ৰ-ছাত্ৰীকে নিজৰ নিজৰ পচন্দৰ খেলবোৰত অংশগ্ৰহণ কৰা দেখা যায়। সঁচাকৈয়ে বৰ ধুনীয়া লাগে সকলোকে এনেকৈ ইমান ধুনীয়াকৈ অংশগ্ৰহণ কৰা দেখিলে। কলেজখনৰ ছাত্ৰ-ছাত্ৰীসকলে অকল পঢ়াত পাৰ্গত হ'লেই নহয় খেলা-ধূলাৰ লগতে সকলো দিশতে পাৰ্গত হ'ব লাগে। তেতিয়াহেই এখন ভাল মহাবিদ্যালয় হিচাপে পৰিগণিত হ'ব। আমাৰ মহাবিদ্যালয়খন সকলোফালৰ পৰাই উন্নত। এইবাৰ বাহিৰৰ পৰা 'নাক'ৰ পৰিদৰ্শকসকলে পৰিদৰ্শন কৰিবলৈ আহোতে মহাবিদ্যালয়খন যথেষ্ট ভাল পাইছে। ইয়াৰ বাবে মই আমাৰ ছাৰ-বাইদেউসকলকে কৃতিত্ব প্ৰদান কৰোঁ। কিয়নো ছাৰ-বাইদেউসকলে যেনেকৈ নিয়মানুৱৰ্তিতাৰে দুধনৈ মহাবিদ্যালয়খন চলাই আছে ইয়াৰ বাবেই আমাৰ কলেজৰ শৈক্ষিক পৰিৱেশ যথেষ্ট উন্নত হৈ পৰিছে।

বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত আধুনিকতাৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰা দেখিবলৈ পোৱা গৈছে। মই নিজেই নৱপ্ৰজন্মৰ এগৰাকী ছাত্ৰী। আজিকালি ছাত্ৰ-ছাত্ৰীয়ে বেয়াখিনিকে বেছিকৈ আঁকোৱালি লোৱা দেখা যায়। আমি নিজেও জানো যে এই কামটো বা এই বস্তুটো বেয়া। কিন্তু সময়ৰ সোঁতত আমি তেনেকৈয়ে গৈ আছো। আমি চেষ্টা কৰিলে বেয়াবস্তুখিনি বৰ্জন কৰি ভালখিনি আকোঁৱালি ল'ব পাৰো। কাৰণ ভালবস্তু বা ভাল কথা অনুকৰণ কৰিলে নিজৰ লগতে সকলোৰে ভাল হয়। আজি কালি নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষকৈ ফেছ্বুক, ৱাটচআপ আদিত নিজৰ লাগতিয়াল সময়খিনি নষ্ট কৰা দেখা যায়। মই নকও যে ছ'চিয়েল মাধ্যমটো বেয়া। কিন্তু ইয়াৰ পৰা নো আমাৰ কিমান অপকাৰ হৈছে এইটো আমি লক্ষ্য নকৰো। আগতে মা-দেউতা বা ককা আইতাহঁতে আজৰি সময় থাকিলেই কিতাপ বা আলোচনী পঢ়ি বহুত কথায়েই শিকিছিল। কিতাপক জ্ঞানৰ ভাণ্ডাৰ বুলি কোৱা হয়। সেই তাহানিৰ লগত আমাৰ বৰ্তমান অৱস্থাৰ কথা তুলনা কৰিলেই আকাশ পাতাল পাৰ্থক্য দেখা যায়। আজিকালি ইমানেই ব্যস্ততাপূৰ্ণ জীৱন যে তাৰ মাজত সোমাই আমিও একোটা যন্ত্ৰৰ দৰে হৈ গৈছো। আমি ফেকবুক, ৱাটচআপ ব্যৱহাৰ কৰিব লাগে, কিন্তু অলাগতিয়াল কামত নহয়। ফেচবুক, ৱাটচআপৰ কাৰণে যথেষ্ট সুবিধাও হৈছে। আগৰ দিনত আমি চিঠিৰ জৰিয়তেই মানুহৰ লগত যোগাযোগ কৰিব লগা হৈছিল। কিন্তু এতিয়া ফোন, ম'বাইলে আমাক যথেষ্ট সুবিধা দিছে। নৱপ্ৰজন্মখিনিয়েই দেশৰ ভৱিষ্যত। সেয়েহে আমি নিজে নিজকে অলপ হ'লেও এইবোৰৰ অপব্যৱহাৰৰ পৰা দূৰত ৰাখিব লাগে। তেতিয়াহে আমি ভৱিষ্যতে এখন সুস্থ সবল সমাজৰ অধিকাৰী হ'ব পাৰিম।

আমাৰ মহাবিদ্যালয়ৰ ওচৰৰ বাসিন্দাখিনি যথেষ্ট ভাল। কিন্তু দুধনৈৰ পৰা মাটিয়ালৈ যোৱা পথটো যথেষ্ট বেয়া। যাৰ বাবে ছাত্ৰ-ছাত্ৰীবোৰৰ যথেষ্ট কষ্ট হয়। বৰষুণৰ দিনত এক আঠু পানীৰ মাজেৰে আমি কলেজলৈ যাব লগা হয়। ইয়াৰ বাবে আমাৰ কলেজৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বহুবাৰ প্ৰতিবাদী কাৰ্যসূচীও লোৱা হৈছিল, কিন্তু ফল হ'লে আমি একোৱেই নাপালো আজিলৈকে।

আশা ৰাখিছো অদূৰ ভৱিষ্যতে সকলো সমস্যা দূৰ হৈ মহাবিদ্যালয়খন এক সৰ্বাংগসুন্দৰ ৰূপত জিলিক উঠিব।

# মোৰ জীৱনৰ সোণালী স্মৃতি

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা'ত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত)

**লখিমী ৰাভা**
স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান)

আমাৰ দুধনৈ মহাবিদ্যালয়খন ১৯৭২ চনত স্থাপিত হৈছিল ।এই মহাবিদ্যালয়খন গোৱালপাৰা জিলাত অৱস্থিত।প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা এই মহাবিদ্যালয়খন অসমৰ ভিতৰত অন্যতম। মই হাইস্কুলত পঢ়ি থাকোতে এই মহাবিদ্যালয়খনৰ বিষয়ে শুনিবলৈ পাইছিলো যে ই বৰ ধুনীয়া। Arts আৰু Science দুটা Stream আছে । তেতিয়া মই কলেজখন দেখা নাছিলো। যেতিয়া মই হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি আহিলো তেতিয়া দুধনৈ মহাবিদ্যালয়খন দেখিলো। সঁচাই ই বৰ ধুনীয়া। চৌহদত শাৰী শাৰী একাচিয়া গছ আছিল, কিন্তু দলংখনত কাকো উঠিব নিদিছিল। বিজ্ঞান শাখাত নাম লগালো। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবোৰ বহুত ভাল, ভালকৈ শ্ৰেণীকোঠাত পঢ়ায় ।আমাৰ অধক্ষ্যগৰাকীও বহুত ভাল।এডমিছন চলি থকা কোঠাটোত সোমাই অধ্যক্ষগৰাকীক দেখি বহুত ভাল লাগিল। হোষ্টেলত থাকিবলৈ ল'লো। সদায় মহাবিদ্যালয়খনৰ সৌন্দৰ্য চাই মনটো বহুত ভাল লাগে । আবেলি গণিতৰ টিউচনলৈ যাওঁ।বহুতো বন্ধু-বান্ধৱী লগ পালো কলেজত। কেণ্টিনত পৰথা বহুত ভাল বনাইছিল আৰু মই খাই বৰ ভাল পাইছিলো। মহাবিদ্যালয়খন এসময়ত অৰ্থনৈতিক ফালৰ পৰা পিছপৰা আছিল। শ্ৰেণী কোঠাবোৰ সৰু সৰু আছিল। অৱশ্যে ছাত্ৰ-ছাত্ৰীও অলপ কম আছিল বৰ্ত্তমানৰ তুলনাত।আমাৰ মহাবিদ্যালয়ৰ লাইব্ৰেৰীটোত কিতাপ-পত্ৰ প্ৰায় কম আছিল আৰু পঢ়িবৰ কাৰণে সিমান সুবিধাজনক নাছিল। আজিৰ দিনত কম্পিউটাৰ অতি প্ৰয়োজনীয়, তেতিয়া নাছিল। আমাৰ কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী মানে মোৰ ক্লাছৰ শিক্ষকসকলে ভৱিষ্যতৰ কাৰণে বাট দেখুৱাই আগ্ৰহেৰে পঢ়ুৱাইছিল। দুধনৈ মহাবিদ্যালয়ৰ হোষ্টেলত থাকি কলেজৰ সৌন্দৰ্য উপভোগ কৰিবলৈ পাই মই বহুত সুখী। এসময়ত আৰ্থিকফালৰ পৰা অকণমান দুৰ্বল আছিল যদিও মহাবিদ্যালয়খন প্ৰাকৃতিক সৌন্দৰ্য আৰু শৈক্ষিক দিশৰ পৰা বহুত আগবঢ়া। পৰীক্ষাত ৮৫শতাংশ ছাত্ৰ-ছাত্ৰী সফল হ'বলৈ সক্ষম হয় আৰু সফলতাৰ মূল কাৰণ আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকল কৰ্ত্তব্যপৰায়ণ আছিল। ২০১২-১৩ বৰ্ষত H.S. Final Exam দিলো পৰীক্ষাত ভাল ফল পাই মই Zoology বিষয়ত major ল'লো কাৰণ আমাৰ দুধনৈ মহাবিদ্যালয়খনৰ Zoology Department অত থকা শিক্ষক শিক্ষয়িত্ৰীবোৰে মোক বিশেষভাৱে আকৰ্ষণ কৰিছিল আৰু মই Zoology বিষয়টো বহুত ভালো পাওঁ।

মই বৰ্ত্তমান দুধনৈ মহাবিদ্যালয়ৰ স্নাতক মহলাৰ তৃতীয় বৰ্ষৰ, ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী (B.Sc. 6th Sem)। কলেজীয়া দিনবোৰ কেতিয়া পাৰ হৈ গ'ল গমকে নাপালো। বৰ্ত্ত মান আমাৰ দুধনৈ মহাবিদ্যালয়খন প্ৰাকৃতিক সৌন্দৰ্য্যৰ ফালৰ পৰাই নহয়, শিক্ষা-দীক্ষা, মান-সন্মান সকলো ফালৰ পৰাই আগবঢ়া। বৰ্ত্তমান আমাৰ Zoologyৰ laboratory টো বহুত চাফ-চিকুন হৈছে, ঠায়ে ঠায়ে বেছিন লগাই দিছে। লাইবেৰীটো বিল্ডিঙঅত পৰিণত হৈছে, বহল, ডাঙৰ, পঢ়া শুনা কৰাৰ বাবে সুবিধাজনক হৈছে। কম্পিউটাৰৰ ব্যৱস্থা হৈছে। আমি পঢ়া শুনা কৰাৰ লগতে Wi-Fi internet ব্যৱহাৰ কৰিব পাৰো। মুঠতে লাইব্ৰেৰীটো বহুত সুবিধাজনক হৈছে। আমাৰ এডমিছনৰ ৰুমবোৰো বিল্ডিঙত পৰিণত হৈছে। Result আগৰ তুলনাত বহুত ভাল হৈছে। মুঠতে আমি ক'ব পাৰো যে মহাবিদ্যালয়খনৰ ৯৫ শতাংশ বিকাশ হৈছে। খেল-ধেমালিত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰে ৰাষ্ট্ৰীয় পৰ্যায়তো সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। বহুতো ডক্টৰ-ইঞ্জিনিয়াৰ হৈছে। আমি গৌৰৱৰে ক'ব পাৰো যে এওঁলোক দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ বা ছাত্ৰী।

বৰ্ত্তমান যেনেদৰে উন্নত হ'বলৈ ধৰিছে, আমাৰ মহাবিদ্যালয়খনে এনেকৈয়ে যদি উন্নতিৰ ধাৰা বজাই ৰাখে তেতিয়া ভৱিষ্যতেই আৰু বিকশিত হ'ব। নতুনকৈ ৰোৱা গছ পুলিবোৰ ডাঙৰ হ'ব। প্ৰাকৃতিক সৌন্দৰ্যৰ দিশৰ পৰা পৰিৱেশটো উন্নত হ'ব, লগতে ধুনীয়াও হ'ব। লাইবেৰীত অধিক নতুন কিতাপ-পত্ৰ আনিব বুলি আশা কৰিলো। ভৱিষ্যতে যেন অধিক সুবিধাজনক হয় তাৰ কথা চিন্তা কৰি ক্লাছৰুমবোৰ ডাঙৰ কৈ নিৰ্মাণ কৰিব বুলি আশা ৰাখিলো। নতুন নতুন শিক্ষক-শিক্ষয়িত্ৰীবোৰ ইয়ালৈ আহিবলৈ আগ্ৰহী হ'ব আৰু পৰীক্ষাৰ ফলাফল বৰ্ত্তমানতকৈও উন্নত হ'ব।

আমাৰ কলেজত নতুনকৈ কমাৰ্চ শাখা আৰম্ভ কৰিছে আৰু ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে ব্যৱসায়িক দিশতো উন্নত হ'ব পাৰিব।

পৰিশেষত মই ইয়াকে ক'ব বিচাৰো যে আমাৰ মহাবিদ্যালয়খন সঁচাকৈ বৰ মনোৰম সকলোফালৰপৰা আৰু এই মহাবিদ্যালয়খনত পঢ়া কালছোৱাৰ সকলো স্মৃতি মোৰ বাবে'সোণালী স্মৃতি।'



# দুধনৈ মহাবিদ্যালয়ৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা'ত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত)


**কংকনা ৰায়**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)


দুধনৈ মহাবিদ্যালয়ৰ পটভূমি ঃ গোৱালপাৰা জিলাৰ দুধনৈ অঞ্চলৰ এখনি উল্লেখযোগ্য মহাবিদ্যালয় হ'ল দুধনৈ মহাবিদ্যালয়। ১৯৭২ চনৰ ৪ আগষ্টত দুধনৈ অঞ্চলৰ স্থানীয় ৰাইজৰ সহযোগত দুধনৈ মহাবিদ্যালয় স্থাপন হয়। আৰম্ভণিতে এই মহাবিদ্যালয়খনৰ বৈষয়িক অৱস্থা সিমান ভাল নাছিল। এই মহাবিদ্যালয়খনত প্ৰথমতে কলা আৰু বিজ্ঞান বিভাগ আছিল। শিক্ষক-শিক্ষয়িত্ৰীৰ খুৱ অভাৱ আছিল। কম সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে বহু কষ্টেৰে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰিছিল। ইয়াৰোপৰি শ্ৰেণীকোঠাৰো অভাৱ আছিল। কিন্তু সীমিত সা-সুবিধাৰ মাজতো দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুনাম কঢ়িয়াই আনিছিল।

দুধনৈ মহাবিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ লগাতে অন্যান্য সকলো দিশতে আগবঢ়া। খেলা-ধূলা, নৃত্য-সংগীত সকলো দিশতে সুনাম কঢ়িয়াই আহিছে দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। এই মহাবিদ্যালয়ৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াত বিভিন্ন জাতি জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰে। বিভিন্ন জাতি জনগোষ্ঠীৰ হোৱা সত্বেও এই মহাবিদ্যালয়ত মিলা-প্ৰীতি অটুত আছে। দুধনৈ মহাবিদ্যালয়ত গুণগত শিক্ষা প্ৰদান কৰাৰ লগতে অনুশাসন বজাই ৰখা হয়। ইয়াৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অতি যত্নৰে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰে আৰু সেয়েহে ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন কৰি আহিছে।

বৰ্তমান দুধনৈ মহাবিদ্যালয়ৰ অৱস্থা আগতকৈ অধিক উন্নত হৈছে। বৰ্তমান ইয়াত শিক্ষক-শিক্ষয়িত্ৰী, শ্ৰেণীকোঠাৰ কোনো অভাৱ নাই। শেহতীয়াকৈ মহাবিদ্যালয়খনত দুটাকৈ অট্টালিকা নিৰ্মাণ কৰা হৈছে। জিৰণি কোঠা নতুনকৈ নিৰ্মাণ কৰা হৈছে, পুথিভঁৰালটো অধিক উন্নত কৰি তোলা হৈছে। পুথিভঁৰালত বিভিন্ন প্ৰকাৰৰ ন-পুৰণি কিতাপ আছে। ছাত্ৰ-ছাত্ৰীয়ে পুথিভঁৰালত কিতাপ পঢ়াৰ সু-ব্যৱস্থা আছে। বৰ্ত্তমান মহাবিদ্যালয়খনত দুৰত্ব শিক্ষা (IDOL) আৰু মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ (KKHOU) ৰ শিক্ষা ব্যৱস্থা আছে। মুঠতে দুধনৈ মহাবিদ্যালয় জিলাখনৰ এক উল্লেখযোগ্য মহাবিদ্যালয়।

নিঃসন্দেহে ভৱিষ্যতে দুধনৈ মহাবিদ্যায়ৰ অৱস্থা অধিক উন্নত হ'ব। দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে আৰু বহু সুনাম অৰ্জন কৰাৰ সম্ভাৱনা আছে। মহাবিদ্যালয়খনৰ এগৰাকী ছাত্ৰী হিচাপে অনুষ্ঠানটোৰ উত্তৰোত্তৰ উন্নতি আমাৰ কাম্য।

# দুধনৈ মহাবিদ্যালয়

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা'ত নিচুকণি পুৰস্কাৰপ্ৰাপ্ত)

**টিৰচ ৰাভা**
স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)

দুধনৈ মহাবিদ্যালয়খন অতীজৰ মহৎলোকৰ ত্যাগৰ বাবে গঢ়লৈ উঠিছে। তেওঁলোকে নিজৰ দেহ -মন উচৰ্গা কৰি বৰ্তমানৰ এই লেখত ল'বলগীয়া মহাবিদ্যালয়খন গঢ় দিছিল। ইয়াৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতলৈ এই ইতিহাস কেতিয়াও পাহৰিব নোৱাৰিব। আমাৰ দুধনৈ মহাবিদ্যালয়খন ১৯৭২ চনত স্থাপন কৰা হয়। মহাবিদ্যালয়খনৰ প্ৰাকৃতিক সৌন্দৰ্য মনোমোহা হোৱাৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলেও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সদায় সহায়-সহযোগিতা আগবঢ়ায়। লগতে কোনো ধৰণৰ সমস্যাৰ সন্মুখীন হ'লে শিক্ষক-শিক্ষয়িত্ৰীসকলে সদায় ছাত্ৰ-ছাত্ৰীসকলক মৰম-চেনেহ কৰি সমস্যা সমাধান কৰাত সহায় আগবঢ়ায়।

দুধনৈ মহাবিদ্যালয়ত অতীতত যিমানবোৰ পুৰণি ঘৰ আছিল বৰ্তমানে এই ঘৰবোৰ ভাঙি নতুন নতুন অট্টালিকা বনোৱা হৈছে। ফলত মহাবিদ্যালয়খন দেখিবলৈ শুৱনি হৈ পৰিছে।

মহাবিদ্যালয়খনত বৰ্তমান সৰু-বৰ বহুতো ধুনীয়া ধুনীয়া ঘৰ সজোৱাৰ লগতে সন্মুখভাগত তিনি মহলীয়াকৈ দুটা অট্টালিকা বনোৱা হৈছে আৰু লগতে এটা ডাঙৰকৈ সভাগৃহ বনোৱা হৈছে। অতীতৰ পৰা বৰ্তমানলৈ মহাবিদ্যালয়খনে অনেক দিশত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। যদিহে এনেকৈয়ে আগবাঢ়ি গৈ থাকে তেতিয়া ভৱিষ্যতে দুধনৈ মহাবিদ্যালয়খনে উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰিব।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অতীতৰ পৰা বৰ্তমানলৈ সময়ৰ পৰিবৰ্ত্তনৰ সৈতে তাল মিলাই আৰু আধুনিকতাৰ লগত খোজত খোজ মিলাই আগুৱাই আছে। এই গতি যদি অবিৰত থাকে তেতিয়া ভৱিষ্যতে মহাবিদ্যালয়খন দেশৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ সমকক্ষ হ'ব পাৰিব।

---

# কুইজ

? ভাৰতৰ কোনখন চহৰক 'হ্ৰদ নগৰী' বুলি কোৱা হয়?
ঃ ৰাজস্থানৰ উদয়পুৰ।
? মানুহৰ বৈজ্ঞানিক নাম কি?
ঃ হোমোচেপিয়ান।
? গিনীজ বুকত ভাৰতৰ কোনজন কণ্ঠশিল্পীয়ে ৰেকৰ্ড কৰিবলৈ সক্ষম হৈছিল?
ঃ কুমাৰ চানু
? চিৰশান্তিৰ দেশ বুলি কোনখন চহৰক জনা যায়
ঃ ৰোম
? ভাৰতৰ সকলোতকৈ ডাঙৰ ৰাস্তাটোৰ নাম কি?
ঃ গ্ৰেণ্ড ট্ৰাংক ৰোড।
? এ পি জে আব্দুল কালামৰ প্ৰধান মিছাইল দুটা কি কি?
ঃ অগ্নি আৰু পৃথিৱী।

সংগ্ৰাহক
**জ্যোতি প্ৰসাদ ৰয়**
স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)

# স্বপ্নৰ দৌৰ, স্বপ্নৰ সমাধি, ইত্যাদি....

**জিতুমণি পাঠক**
সহকাৰী অধ্যাপক, নৃতত্ব বিভাগ

(এক)

নীলাভ সাগৰৰ বিশালতাত সাঁতুৰি নাদুৰি ফুৰিছে সিহঁতে। দুটি মাছ। তাৰে এটি ভীষণ স্বপ্নবিলাসী। সি লগৰটোক ক'লে, 'জাননে, আমাৰ সাগৰখনৰ ওপৰতো আছে আন এখন সাগৰ। তাতো আছে আমাৰ দৰে অসংখ্য জীৱন। সিহঁতেও আমাৰদৰেই হাঁহে-মাতে-খেলে। খং কৰে। অভিমান কৰে।' কথাখিনি কওতে তাৰ দুচকুত যেন এক স্বপ্নময়তাই বিৰাজ কৰিছিল। তাৰ এই স্বপ্ন বিভোৰতাত আনটো কিন্তু বিৰক্ত হ'ল। ভেকাহি মাৰি ক'লে, 'বন্ধ কৰ তোৰ এই আজৱ কথা। এই সাগৰখনৰ পৰা বাহিৰলৈ গৈ দেখোন আমি এখন্তেকো বাচি থাকিব নোৱাৰো। তেন্তে তাত সেই প্ৰাণীবোৰ জীয়াই থাকিব কেনেকৈ?' সেইয়া আছিল অকাট্য যুক্তি। সংগীজনৰ অকাট্য যুক্তিত পাখি মেলিব খোজা তাৰ কল্পনাবোৰ সংকুচিত হৈ পুনৰ খোলাৰ ভিতৰত সোমাই পৰিল। ("Other Seas"- খলিল জিব্ৰান)

( দুই )

সপোনবোৰৰ এযোৰ পাখি থাকে। উৰি ফুৰিবলৈ। সীমাহীনতাত। কিন্তু বহু সপোনৰ পাখিবোৰ উৰিবলৈ ওলোৱাৰ আগতেই যুক্তিৰ তুলাচনীত অতি নিৰ্মমতাৰে কাটি পেলোৱা হয়। পাখিকটা সপোনবোৰ এনেদৰে কিছুসময় বেদনাত চটফটাই থাকি এটা সময়ত নিঃশ্চুপ হৈ পৰে। চিৰদিনৰ বাবে। পাখি কটা যোৱা মানুহবোৰো এদিন একোটা শৱদেহলৈ পৰিণত হয়। মৃত সপোনবোৰৰ সৈতে সহবাস কৰে এই জীৱন্ত শৱদেহবোৰে। অনুৰ্বৰ এই বাকৰিত কোনেদিনে আৰু গজালি নেমেলে এটা জীয়া সপোনে।

(তিনি)

যুক্তি-অযুক্তিৰ হাজাৰ যোজন দূৰত বাসকৰা এটি শিশু। সিদিনাখন সি উৎফুল্লিতহৈ উভতি আহিছিল পঢ়াশালিৰ পৰা। হাতত শিক্ষকে ভাঁজ কৰি দি পঠোৱা কাগজৰ টুকুৰা এটা। এক উৎসাহেৰে সি মাকৰ হাতত গুজি দিছিল কাগজৰ টুকুৰাটি। কণমানি হাতদুখনেৰে কঢ়িয়াই অনা তাৰ আগ্ৰহখিনিক মাকে অতি সযতনৰে চকুৰ আগত মেলি লৈছিল। শুভ্ৰতাত কলিয়া কঠিনতাৰে খোদিত এটি এটি শব্দই কঁপাই তুলিছিল শিশুটিৰ মাতৃক। দুচকুৰে ক'ব নোৱাৰাকৈ বৈ আহিছিল দুধাৰি লোতক। অলপ বুজ-অবুজ হৈ উঠা শিশুটিয়ে আচৰিত হৈ মাকলৈ চাইছিল। কোনোমতে ঢুকি পোৱা মাকৰ আঙুলিকেইটাত জোকাৰি দি সিও যেন আভাস ল'ব খুজিছিল সেই ৰহস্যময়তাৰ। অতিকে আশ্চৰ্যজনক আছিল তাৰবাবে মাকৰ সেই চকুলোৰ ভাষা। এটি সিক্ত নয়নৰ এক মাতৃ হৃদয়ে আঁকোৱালি ধৰিছিল তাক। ডাঙৰ-ডাঙৰ শব্দৰে খুলি দিছিল তাৰ আগত সেই যাদুকৰী শব্দৰ পেৰা — 'মহাশয়া, ..... আপোনাৰ সন্তান অতিকে মেধাৱী। এক জিনিয়াছ। তাৰ প্ৰতিভাৰ তুলনাত এই বিদ্যালয়ৰ পৰিসীমা যেন খুবেই সংকীৰ্ণ হৈ পৰিছে। সেয়েহে আপুনি অনুগ্ৰহ কৰি তাৰবাবে অন্য এক শিক্ষা পদ্ধতিৰ ব্যৱস্থা কৰে যেন ....।'

কল্পনাবিলাসী আছিল সেই শিশু। উৰি ফুৰাৰ এক দুৰন্ত বাসনা প্ৰোথিত হৈ আছিল তাৰ হৃদয়ৰ কোনোবা এক কোণত। সুপ্ত সেই বাসনাই হঠাতে যেন লাভ কৰিছিল এযোৰ সোণালী পাখি। সি উৰা মাৰিছিল। উৰা মাৰিছিল দূৰ দিগন্তলৈ। নেদেখা দূৰত্বলৈ। অনন্য যাত্ৰা। অনন্য পৰিক্ৰমা। সময় বাগৰিছিল। শিশুটি আৰু শিশু হৈ থকা নাছিল। শৈশৱতে লাভ কৰা এযোৰ সোণালী পাখিয়ে স্বৰ্ণাভ কৰি তুলিছিল তাৰ অবয়ব। তাৰ অসাধাৰণ প্ৰতিভাৰ সৌৰভে চুই গৈছিল সমগ্ৰ বিশ্ব সভ্যতাক। স্বৰ্ণিল ব্যক্তিত্বৰ সেই শিশুটি এদিন জগতত পৰিচিত হৈছিল মহান বিজ্ঞানী টমাচ্ আল্‌ভা এডিচন হিচাপে।

তাৰ পিছত বহুদিন। মাতৃয়ে ইতিমধ্যে এডিচনক এৰি চিৰদিনৰবাবে আঁতৰি গৈছে। তেনে দিনবোৰৰ এদিন হঠাতে এডিচনৰ হাতত পৰিল মাকৰ এখন পুৰণি ডায়েৰী। ডায়েৰীৰ

ভিতৰত সোঁত-মোচ খোৱা এখন কাগজ। সেই কাগজখন আৰু একো নহয়, বহুদিন আগেয়ে তেওঁৰ শিক্ষকে মাকলৈ দি পঠিওৱা চিঠিখন, যিয়ে তেওঁক উপহাৰ দিছিল এযোৰ সোণালী পাখি। সলনি কৰি পেলাইছিল জীৱনৰ ছন্দ। তাত থকা এটি এটি শব্দই তেওঁৰ বাবে হৈ পৰিছিল ভৱিষ্যত জীৱনৰ পাথেয়। মাকে শুনোৱা প্ৰতিটো শব্দই তেতিয়াও খোদিত হৈ ৰৈছিল তেওঁৰ হৃদয়ত। কেতিয়াও নেদেখা সেই শব্দকেইটি তেওঁৰ এবাৰ চুই চোৱাৰ হেঁপাহ হ'ল। কম্পিত হৃদয়েৰে চকুৰ আগত মেলি ধৰিলে চিঠিখন। কিন্তু লগে লগে তেওঁ হৈ পৰিল মূক, স্তব্ধ। কি আছিল চিঠিখনত ! চিঠিখনত লিখা আছিল, 'মহাশয়া,...... আপোনাৰ সন্তানটি বলিয়া, উন্মাদ, এনে মানসিক বাধাগ্ৰস্ত শিশুৰবাবে আমাৰ বিদ্যালয়ত কোনো স্থান নাই। অনুগ্ৰহ কৰি আপুনি তাৰ শিক্ষাৰ ব্যৱস্থা ঘৰতে কৰক।'

(চাৰি)

নিজৰ সীমাবদ্ধতাত শামুকৰদৰে সোমাই থকা এচামৰ কুটিলতাত এটি প্ৰতিভাক স্তব্ধ কৰি তোলাৰ ষড়যন্ত্ৰ যেন ৰচিত হৈছিল। উৰিব খোজা মনটোক সোণালী পাখিৰ কথা দূৰেই তাক যেন অতি নিষ্ঠুৰতাৰে পিষ্ট কৰি পেলোৱাৰ প্ৰয়াসহে কৰা হৈছিল সংগোপনে। কিন্তু সেই মুহূৰ্তত এখন মাতৃহৃদয়ে আবৰি ধৰিছিল তাক। পুনৰ উদ্ভাসিত হৈ উঠিছিল মাতৃৰ চিৰ শাশ্বত সেই মহিমামণ্ডিত ৰূপ। পৃষ্ঠভূমিক বিধ্বস্ত কৰাৰ প্ৰয়াসক মষিমূৰ কৰি দৃঢ়তাৰ শিপা গুজি তাক উৰিব দিয়া হৈছিল দিগন্তত। তাৰ স্বপ্নক চুই চাবলৈ। তাৰ স্বপ্নক বাস্তৱ ৰূপ দিবলৈ। বাস্তৱৰ নিষ্ঠুৰতাক নজনাবাবেই তেওঁ ছাগে এনেদৰে পাখি মেলি দিবলৈ সক্ষম হৈছিল স্বপ্নিল জগতখনলৈ বুলি। নহ'লৈ আজিও কিমান শিশু কাৰোবাৰ অজ্ঞান-আক্ৰোশতাত পাখি কটাৰ যন্ত্ৰণাক লৈ চিৎকাৰ কৰি ফুৰিছে সৰ্বত্ৰতে।

(পাঁচ)

স্বপ্নৰ সমাধি খন্দাত আমি সকলোৱে যেন সিদ্ধহস্ত। নিজৰ সপোনবোৰক আমি সমাধিস্থ কৰিছো কাহানিবাই। এতিয়া যেন আনৰ সপোনবোৰকো সমাধিস্থ কৰাৰ গুৰু দায়িত্ব আমাৰ ওপৰত। পন্থা ভিন্ন হ'ব পাৰে, উদ্দেশ্য কিন্তু একেটাই। কোনেও যেন পাখি মেলিব নোৱাৰে উন্মুক্ত আকাশলৈ। কাৰণ ওপৰলৈ উৰিলেই সিহঁতবোৰে দেখিব ক্ৰুড়তা-নীচতাত লেটিলৈ থকা আমাৰ ক্লেদাক্ত শৰীৰবোৰ। উৰিব নোৱাৰা আমিবোৰে সেইয়ে বিচাৰো স্বপ্ন ভঙ্গৰ বেদনাত সিহঁতেও যেন আমাৰদৰেই কিলবিলাই থাকে হতাশাৰ পংকিলতাত।

(ছয়)

উধাতু খাই সোমাই আহিছিল ব্যক্তিজন। দুচকুৰ ভাষা আৰু মুখায়বৰ অস্থিৰতাই এনে ইংগিত বহন কৰিছিল যেন এইমাত্ৰ যদি তেওঁ কথাখিনি কৈ অটাব নোৱাৰে তেন্তে এক সাংঘাটিক



অথন্তৰৰ সৃষ্টি হ'ব। ইয়াৰ বিপৰীতে চক্ৰেটিছৰ দুচকুত আছিল সমুদ্ৰৰ গভীৰতা তথা স্থিৰতা। ব্যক্তিজনে যিদৰে উধাতু খাই সোমাই আহিছিল সেই একে তৎপৰতাৰে তেওঁ পাতনি নেমেলাকৈ আৰম্ভ কৰিলে, 'মই আপোনাৰ বন্ধুৰ বিষয়ে এটা সাংঘাটিক কথা জনাবলৈ আহিছো...'। হঠাতে চক্ৰেটিছৰ হস্তক্ষেপত তেওঁ ৰৈ যাব লগা হ'ল। ব্যক্তিজনলৈ চাই তেওঁ ক'লে— 'মোৰ বন্ধুৰ বিষয়ে আপুনি ক'ব লগাখিনি শুনাৰ আগতে আপুনি মই নিজে তৈয়াৰ কৰা এক শুদ্ধিকৰণ প্ৰক্ৰিয়াৰ তিনিটা পৰ্যায়ৰ মাজেৰে পাৰ হৈ আহিব লাগিব। তাৰপিছতহে মই স্থিৰ কৰিম যে আপুনি ক'ব খোজা কথাখিনি মই শুনা উচিত নে অনুচিত। প্ৰথম প্ৰশ্ন, 'আপুনি যি ক'ব খুজিছে সেইয়া সত্য আৰু শুদ্ধ নে?'

'সেইয়া মই সঠিকভাৱে ক'ব নোৱাৰিম। কাৰণ মই কথাখিনি আনৰ পৰা শুনাহে' - ব্যক্তিজনৰ ছন্দত যেন যতি পৰি আহিছিল।

'অৰ্থাৎ আপুনি ক'ব খোজা কথাখিনি সঁচা নহ'বও পাৰে। এইবাৰ মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল, মোৰ বন্ধুৰ বিষয়ে আপুনি যিখিনি ক'ব খুজিছে সেইয়া তেওঁৰ কিবা ভাল গুণ বা কৰ্মৰ বিষয়ে নেকি?'

'উহু। মুঠেই নহয়। বৰং সেইয়া অতিকে....' - চক্ৰেটিছে হাত এখন ডাঙি তেওঁক ৰ'বলৈ ইংগিত দি ক'বলৈ ল'লে, 'ইয়াৰ মানে আপুনি মোৰ বন্ধুৰ বিষয়ে যি ক'বলৈ লৈছে সেইয়া সত্যও নহয় আৰু ভালো নহয়। মোৰ অন্তিম প্ৰশ্নটো, 'আপুনি এতিয়া যিখিনি কথা ক'ব বিচাৰিব সেইয়া বাৰু মোৰ কিবা উপকাৰত আহিব নেকি?'

'নাই। সেই কথাখিনিত আপোনাৰ কামত অহাকৈ একো নাই।' — এইবাৰ চক্ৰেটিছৰ মুখত এক স্মিত হাঁহি বিৰিঙি উঠিল। ইতিমধ্যে উৎসাহৰ স্ফুলিংগ সম্পূৰ্ণৰূপে স্তিমিত হৈ পৰা

ব্যক্তিজনলৈ চাই তেওঁ ক'লে — 'এক অসত্য নাকাৰাত্মক তথা মোৰ কোনোধৰণৰ কামত নহা কথাখিনি বাৰু আপুনি এতিয়াও মোক ক'ব খোজাটো উচিত বুলি ভাবে নেকি?'

(সাত)

চক্ৰেটিছৰদৰে কোনো প্ৰজ্ঞাৰ সৈতে আমি সহবাস নকৰো। কোনেও আমাক শুদ্ধিকৰণৰ তেনে তিনিটা পৰ্যায়ৰ মাজেৰে যাবলৈ উদ্বুদ্ধও নকৰে। তাৰ পৰিবৰ্তে আমাক উৎসাহিত কৰা হয় গুজব সৃষ্টি কৰিবলৈ। আমিও সৃষ্টি কৰো। ক্ষণিক তৃপ্তিৰ আকাংক্ষাত আমি সেইবোৰত সাৰ-পানী দিওঁ। আমাৰ তৃপ্তিত কোনোবা লুণ্ঠিত হয়। খহি পৰে তেওঁলোকৰ স্বপ্নৰ মহল তাচপাতৰ দৰে। বিধস্ত সেই স্তুপৰ মাজত শ্বাসৰুদ্ধ হৈ পৰি ৰয় অলেখ সপোন।

(আঠ)

কেতিয়াবা ব্যতিক্ৰম হয়। সপোনবোৰ ভাঙি পেলোৱাৰ অঘোষিত প্ৰতিযোগিতাৰ মাজত এচামে যেন সপোন গঢ়াৰ সপোন দেখে। তেওঁলোকে সপোনবোৰ প্ৰতিপালন কৰে। সপোন দেখিবলৈ আমাক আস্থা যোগায়; সাহস দিয়ে। তেওঁলোকে আমাক কয়-'সপোনবোৰক কোঙা হৈ পৰিবলৈ নিদিবা। তোমাৰ সপোনৰ বাটত আমি সদায় ৰৈ থাকিম সহায়ৰ এখন সুদৃঢ় হাত হৈ।

(ন)

ৰেডী ...
ষ্টেডী ...
গ'।

শাৰী পাতি ৰোৱা আঠজন প্ৰতিযোগীয়ে প্ৰাণপণে লৰ মাৰিছিল। সন্মুখৰ লক্ষ্যস্থানলৈ। এইয়া এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ দৌৰ প্ৰাতিযাগিতাৰ দৃশ্য। দহ বা পোন্ধৰ খোজ মাত্ৰ। হঠাতে এগৰাকী প্ৰতিযোগী পিছল খাই দৌৰৰ ট্ৰেকত বাগৰি পৰিল। যন্ত্ৰণাত চিৎকাৰ কৰি উঠিল তেওঁ। বাকীবোৰ অলপ আগুৱাই গৈছিল। পিছফালৰ পৰা ভাঁহি আহিছিল এক যন্ত্ৰণাকাতৰ চিঞৰ। হঠাতে তেওঁলোকৰ মাজৰে এজনে ৰৈ দিলে। লগে লগে বাকীবোৰেও। উভতি চালে পিছলৈ। আঘাতপ্ৰাপ্ত প্ৰতিযোগীজনে তেতিয়া নিজৰ ভৰিখনত সজোৰে খামুচি ধৰি যন্ত্ৰণাত চটফটাব লাগিছে। সিহঁত উভতি আহিল। এজন এজনকৈ আটাইকেইজন। আহি থিয় দিলে। আঘাতপ্ৰাপ্ত প্ৰতিযোগীজনৰ কাষত। গোটেই ষ্টেডিয়ামজুৰি তেতিয়া কাঁহ-পৰি জিন যোৱা নিৰৱতা। এজনে হাত মেলি থিয় কৰি দিলে তেওঁক। বাকী কেইজনে থিয় দিলে এক নিৰ্ভয়তাৰ আশ্বাস লৈ তেওঁৰ কাষত। নিৰ্ভয়তাৰ কান্ধবোৰত ভৰ দি আঘাতপ্ৰাপ্ত প্ৰতিযোগীজন দুপিয়াই-দুপিয়াই আগবাঢ়িল বিজয়ৰ লক্ষ্যস্থান হিচাপে জিলিকি থকা সীমাৰেখাডাললৈ। একেসময়তে আঠোজন প্ৰতিযোগীয়ে গৈ খোজ দিলে লক্ষ্যস্থানত। সেইসময়ত ষ্টেডিয়ামত থকা বহু দৰ্শকৰ দুচকুৰে বাধাহীনভাৱে ভাঁহি আহিছিল চকুলোৰ ঢল। প্ৰতিযোগিতাখন আয়োজন কৰিছিল নেচনেল ইনষ্টিটিউট অৱ্ মেণ্টেল হেলথ-এ। ইয়াৰ আঠ গৰাকী প্ৰতিযোগীৰ আঠো গৰাকীয়ে আছিল মেণ্টেলী ৰিটাৰডেদ। মানসিকভাৱে বাধাগ্ৰস্ত।

(দহ)

নিৰন্তৰ দৌৰ প্ৰতিযোগিতা এখন আমাৰ মাজতো চলি আছে। আমাৰ দুচকুৰ আগতো জিলিকি আছে বিজয়ৰ সীমাৰেখাডাল। সেই ডাল চুবলৈ আমাৰ যেন আকণ্ঠ তৃষ্ণা। সেই দৌৰত কোনোবাই উজুটি খাইছে। যন্ত্ৰণাত চিৎকাৰ কৰিছে। আমাৰ ৰ'বলৈ সময় নাই। উভতি চাবলৈ সময় নাই। আমাৰ দুচকুতো এক স্বপ্ন। সেই সীমাৰেখা চুৱাৰ। বিজয়ী হোৱাৰ। জিলিকি উঠাৰ। আমাৰ স্বপ্নৰ সংকীৰ্ণতাই স্বপ্নৰ মৃত্যু ঘটাইছে। আমাৰ স্বপ্নই পাখি মেলি উৰিব নাজানে। আমাৰ স্বপ্নই হৃদয়ঙ্গম কৰিব নোৱাৰে আকাশৰ বিশালতা। জুখিব নাজানে সাগৰৰ গভীৰতা। নিজৰ ক্ষুদ্ৰাতি-ক্ষুদ্ৰ স্বাৰ্থৰ আৱৰ্তত বন্দী আমাৰ স্বপ্নবোৰ। এনে মুহূৰ্তত ভাৱ হয় আমিও যেন সকলোবোৰ মানসিকভাৱে বাধাগ্ৰস্ত হৈ পৰো। তেতিয়া হয়তো আমাৰ স্বপ্নতো থাকিব এক উন্মত্ততা যি উন্মত্ততাই হয়তো আমাক পুনৰ শিকাব মানৱতাৰ আদিপাঠ।

---

## সাঁথৰ

চ) এৰি দিলে মৰে, বান্ধি থলে আকাশত উৰে।
ঃ চিলা।
ছ) এজোপা বগৰী, পাৰিব পাৰি, বুটলিব নোৱাৰি।
ঃ নিয়ঁৰ।
জ) এটা মাছৰ দুখন ফিছা, বুৰ মাৰিলেই সকলো মিছা।
ঃ নাওঁ।
ঞ) একেজনী গাই, ঘাটে ঘাটে পানী খায়।
ঃ বৰশী।

**সংগ্ৰহ, লীনা নাথ**
স্নাতক, তৃতীয় ষান্মাসিক (কলা শাখা)